# আমাৰ মনত ৰৈ যোৱা ছবিখন

## কুমুদ গোস্বামী

"সঁচা নহয় বুলি জানিও সাংবাদিকসকলে একেটা কথাকৈ কৈ থাকে একমাত্ৰ এই আশাতে যে কৈ থাকোঁতে থাকোঁতে কিজানি মিছা কথাটো সঁচা হৈ যায়েই।" — 'দ্য টাইড'ৰ দ্বিতীয় অধ্যায়ত আৰ্ণল্ড বেনেটে কোৱা কথা। আকৌ নিকোলাছ বেণ্টলিৰ ভাষাত ঃ "কোনো বাতৰিয়েই ভাল বাতৰি নহয়, কোনো সাংবাদিকেই ভাল মানুহ নহয়।" জি কে চেষ্টাৰটনেও ধেমালিৰ সুৰত কৈছিল ঃ "সাংবাদিকতা ইয়াকে কয়। ধৰক, এখন কাকতে লিখিলে— লৰ্ড জোন্ছৰ মৃত্যু। কিন্তু মানুহে আগতে নাজানিছিলেই যে লৰ্ড জোন্ছ জীয়াই আছিল।" নিবন্ধৰ আৰম্ভণিতে এই কথাকেইষাৰ মনত পেলোৱাৰ কাৰণ হ'ল আজিৰ সাংবাদিকতাৰ অৱস্থা। কিন্তু সাংবাদিকতাৰ এনে বিৰূপ অৱস্থাতো কেতিয়াবা দুই-এগৰাকী বিৰল ব্যক্তিয়ে সেই জগতখনত একোটা ছাপ বহুৱাই থৈ যায়। প্ৰয়াত কীৰ্তিনাথ হাজৰিকা তেনে এগৰাকী বিৰল সাংবাদিক আছিল।

যিসকলে তেওঁক লগ পাইছিল, জানিছিল বা তেওঁৰ সৈতে বা তলত সাংবাদিকতাৰ অ-আ ক-খ শিকিছিল সেইসকলে জানে তেওঁ কিমান সৎ, নৈষ্ঠিক আৰু সাধু সাংবাদিক আছিল। আজিকালি সকলো ক্ষেত্ৰতে সাধু লোকৰ অভাৱ। সংবাদ জগতত আৰু অভাৱ। যিসকলে তেওঁক লগ পোৱা বা জনা নাছিল, কিন্তু গুৱাহাটীৰ ফুটপাথত এৰা গাখীৰৰ দৰে বগা সাজ পিন্ধি তেওঁক বেগাই খোজ কাঢ়ি যোৱা দেখিছিল, সেইসকলেও আনকি অনুমান কৰিব পাৰিছিল— বিশেষকৈ তেওঁৰ খোজৰ গতি আৰু দৃঢ়তা চাই— তেওঁ কিমান সাধু লোক আছিল। বাৰে বাৰে কৈ থাকিলেও মিছা কথা সঁচা হৈ যায় বুলিতো তেওঁ বিশ্বাস নকৰিছিলেই, সাংবাদিকতাত মিছাৰ বিন্দুমাত্ৰ স্থান আছে বুলিও তেওঁ মানি লোৱা নাছিল। আজিকালি বহুতে নিজকে সত্যনিষ্ঠ সাংবাদিক বুলি কৈ মিছাৰ পাহাৰ বগাই ফুৰে। কিন্তু হাজৰিকাদেৱে নিজকে কেতিয়াও সত্যনিষ্ঠ সাংবাদিক বুলি যহাই নুফুৰাকৈয়ে সঁচা অৰ্থত সত্যনিষ্ঠ সাংবাদিক হিচাপে একমাত্ৰ আৰ্হি দেখুৱাই গ'ল।

'দৈনিক অসম' কাকতৰ দীৰ্ঘদিন ধৰি সম্পাদক হৈ থকা কালতে হাজৰিকাদেৱে অসমীয়া সাংবাদিকতাক এটা চৰিত্ৰ আৰু সংজ্ঞা দি গ'ল। সেই সংজ্ঞা সত্যৰ সংজ্ঞা। 'দৈনিক অসম'ৰ ডেস্কত কাম কৰা কৰ্মীসকলে তেওঁৰ সত্যনিষ্ঠাৰ কথা কৈ অন্ত কৰিব নোৱাৰে। এটা মাত্ৰ উদাহৰণ দিলেই যথেষ্ট হ'ব। এবাৰ অসমত ভীষণ বানপানী। বহু

ঠাইত মানুহ-গৰু আৰু সা-সম্পত্তিৰ বিস্তৰ ক্ষয়-ক্ষতি হৈছিল। সেই মতে চাৰিওফাল পৰা বাতৰিও আহিছিল প্ৰচুৰ। এজনং সংবাদদাতাই বানপানীৰ বাতৰিত লিখিলে— পাঁচ-ছয়জন লোক পানীত উটি যায়। হাজৰিকাদেৱে ধৰিলেই নহয়ঃ কোনখন গাওঁ কেইজন মানুহ? তুমি ক'ত্‍-পালা খবৰটো? পানীত উটি যোৱা মানুহকেইজনৰ নাম কি? গাওঁ এখনৰ পাঁচ-ছয়জন মানুহ বানপানীত উটি গ'ল, অথচ তেওঁলোকৰ নামকেইটা কোনেও নাজানেনে? শুদ্ধ, সঁচা, প্ৰত্যক্ষ বাতৰিৰ প্ৰতি তেওঁৰ এনেকুৱাই আছিল আগ্ৰহ। ডেস্কত কাম কৰাসকলক আৰু এটা কথা তেওঁ প্ৰায়েই কৈছিল ঃ "বাতৰি এনেকৈ লিখিবা যাতে স্পষ্টীকৰণ দিব লগা নহয়।" হাজৰিকাদেৱে জানিছিল যে যিখন কাকতে বাতৰিৰ স্পষ্টীকৰণ দিব লগাত পৰে সেইখন কাকতৰ বিশ্বাসযোগ্যতা কমি আহে।

আজি যাক "ইয়েলো জাৰ্ণেলিজম" বা হালধীয়া সাংবাদিকতা বুলি কোৱা হয়, সেইবিধৰ ধাৰে-কাষেও নোযোৱা সাংবাদিক হাজৰিকাদেৱ আছিল দায়িত্বসম্পন্ন আৰু এক অৰ্থত দায়বদ্ধ। সাংবাদিকতা কিমান দায়িত্বপূৰ্ণ আৰু দায়বদ্ধ হ'ব পাৰে তাৰ উদাহৰণ তেওঁ দি গৈছে অসম আন্দোলনৰ সময়ত 'দৈনিক অসমে' পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ জৰিয়তে। স্বভাৱতে সৎ আৰু সৰল হাজৰিকাদেৱে ভাবিছিল অসম আন্দোলনে অসমৰ কল্যাণ সাধন কৰিব বুলি; আৰু সেই কাৰণে আন্দোলনৰ সমৰ্থনত 'দৈনিক অসম'ক আগুৱাই নিছিল উগ্ৰ জাতীয়তাবাদৰ পথেৰে। যি বিশ্বাস কৰে তাকে কৰা মানুহ আছিল তেওঁ। কিন্তু, সময়ত যেতিয়া অসম আন্দোলন ফুটুকাৰ ফেন হ'ল আৰু এচাম স্বাৰ্থলোভী ছাত্ৰনেতাৰ ক্ষমতা দখলৰ অভিসন্ধি বুলি প্ৰমাণিত হ'ল তেতিয়া তেওঁ মনত দুখো পাইছিল। পৰৱৰ্তী কালত লিখা দুই-এটা নিবন্ধত তেওঁ অ গ পৰ নেতাসকলক সমালোচনাও কৰিছিল।

ওখ, ক্ষীণ, দ্ৰুতবেগী এই অসাধাৰণ সাংবাদিকগৰাকীৰ চিৰপৰিচিত গম্ভীৰ ব্যক্তিত্বৰ আঁৰত হাস্য আৰু ব্যংগ ৰসৰ নিজৰা এটিও অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছিল। কথাটো বহুতে জানে, বহুতে নাজানে। 'দৈনিক অসম'ৰ 'কাঁহুদী' আৰু 'সময়ৰ শৰ'ৰ কথাংশ এসময়ত তেওঁৰ কলমৰ পৰাই ওলাইছিল। তেওঁৰ সাহিত্য-কৃতি পৰ্যাপ্ত নহয়; কিন্তু যিখিনি লিখি থৈ গৈছে তাৰ পৰাই অনুমান কৰিব পাৰি তেওঁ অসমীয়া ভাষাৰ কিমান সিদ্ধহস্ত কাৰিকৰ আছিল। ভাষাৰ প্ৰয়োগ আৰু শুদ্ধতাৰ ক্ষেত্ৰত তেওঁ সেইসকল প্ৰয়াত লেখক-সাংবাদিকৰ শ্ৰেণীৰ, যিসকলৰ ভিতৰত আছে বেণুধৰ শৰ্মা, লক্ষ্মীনাথ ফুকন আৰু বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ দৰে প্ৰাতঃস্মৰণীয় লেখকসকল। তেওঁৰ সমকক্ষ দ্বিতীয়গৰাকী সাংবাদিক হিচাপে আমি এজনৰ নামেই ল'ব পাৰোঁ। তেওঁ হ'ল হৰেন্দ্ৰনাথ বৰুৱা। বৰুৱাদেৱ আছিল গোটেপাতে ৰাষ্ট্ৰীয়তাপন্থী, হাজৰিকাদেৱ কিন্তু জাতীয়তাবাদী।

এই দুগৰাকী প্ৰসিদ্ধ সাংবাদিকৰ মাজত ৰিজনি টানিবলৈ চেষ্টা কৰি আমি আচলতে নিজকে বুজাবলৈ চেষ্টা কৰিছোঁ, হাজৰিকাদেৱক সময়ে ক'ত থ'ব; আৰু সঁচাকৈয়ে যে অসমীয়া সাংবাদিকতাৰ উন্মেষণৰ যুগৰ বাটকটীয়া হিচাপেহে সময়ে তেওঁৰ স্মৃতিৰ আপডাল কৰিব। হালধীয়া আৰু অনুসন্ধানমূলক সাংবাদিকতাৰ যি আধুনিক ধাৰা বৰ্তমান প্ৰবল হৈ উঠিছে, তাৰ মাজত হাজৰিকাদেৱক বিচাৰিলে আমি নাপাম; বৰং বিচৰাটোৱেই অযুগুত হ'ব। তেওঁ আছিল সত্যৰ প্ৰবক্তা। সত্যৰ সেই ধ্ৰুপদী সংজ্ঞা তেওঁৰ ক্ষেত্ৰতে প্ৰযোজ্য। সেই ফালৰ পৰা চাবলৈ গ'লে এটা কথা নিঃসন্দেহে ক'ব পাৰি যে কীৰ্তিনাথ হাজৰিকাৰ প্ৰয়াণৰ লগে লগে অসমীয়া সাংবাদিকতাৰ এটা নিৰ্দিষ্ট যুগৰ অৱসান ঘটিল।

মহাকালৰ বিচাৰ সদায় শুদ্ধ। তেওঁক এনে এটা সময়ত মহাকালে আঁজুৰি লৈ গ'ল যিসময়ত অসমৰ সংবাদ জগতখন মিথ্যাচাৰ, ভণ্ডামি আৰু পক্ষপাতিত্বৰে কলুষিত হৈ পৰিছে। আৰু কিছুদিন বাচি থকা হ'লে তেওঁ হয়তো এই দৃশ্য আৰু সহিব নোৱাৰিলেহেঁতেন। বিষণ্ণতা, আত্মশ্লাঘা আৰু হতাশা লৈয়ে তেওঁ আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে।

অসমীয়া সাংবাদিকসকলে হয়তো ভাবে যে তেওঁলোকৰ প্ৰভাৱ অখণ্ড। হয়তো হয়। হ'লেও অসমৰ চাৰিবেৰৰ মাজতহে। দেখি দুখ লাগিল, "দ্য হিন্দু" কাকতে কীৰ্তিনাথ হাজৰিকাৰ মৃত্যুৰ বাতৰিটো দুদিনমান পিছত দিছে; তাকো সৰুকৈ ভিতৰৰ পৃষ্ঠাত ঃ 'কীৰ্তিনাথ হাজৰিকা ডে'ড।' বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ মৃত্যুৰ বাতৰিও একেদৰে দিয়া মনত পৰে। সেইবাৰ শিৰোনামা আছিল ঃ "আছামিজ স্ক্ৰাইব ডে'ড!' ড° হেৰম্ব বৰপূজাৰীৰ বেলিকাও প্ৰায় একেই। অথচ ড° সৰ্বপল্লী গোপালৰ প্ৰয়াণৰ বাতৰিয়ে নেচনেল কভাৰেজ পালে। এয়া অসমৰ সাংবাদিকতাৰে ব্যৰ্থতা নহয়নে? মৃতকৰ স্মৃতিচাৰণৰ সময়ত এইবোৰ কথা ক'ব নাপায়; কিন্তু মনলৈ আহে। মনত সদায় আমনি লগাই থকা এইবোৰ অতি পুৰণি কথা। চেষ্টাৰটনৰ কথাই ঠিক— কীৰ্তিনাথ হাজৰিকাৰ মৃত্যুৰ বাতৰি আমাৰ কাকতবোৰে দিছে ঠিকেই; কিন্তু তেওঁ যে 'দৈনিক অসম'ৰ পৰা অৱসৰ লৈ নীৰৱে-নিৰলে জীয়াই আছিল সেই খবৰ সাংবাদিকসকলে লৈছিলনে? আজি সাংবাদিকসকলে কৈছে কীৰ্তিনাথ হাজৰিকা অসমীয়া সংবাদ জগতৰ 'দিকপাল' আৰু 'মহীৰুহ'; কিন্তু এই শব্দ দুটাৰ অৰ্থ আৰু বিশ্লেষণ কৰিবলৈ কোনোবাই চেষ্টা কৰিছেনে? 'দিকপাল' ঠিকেই, কিন্তু কোনটো দিশ তেওঁ দেখুৱাই থৈ গ'ল? আৰু 'মহীৰুহ?' গছ নহয় বৃক্ষ— ডাঙৰ গছ। শব্দবোৰৰ তাৎপৰ্য আছে; আৰু সেই তাৎপৰ্য গ্ৰহণ কৰাৰো প্ৰয়োজন আছে। এনেকুৱা এগৰাকী সাংবাদিকৰ প্ৰয়াণত আমাৰ কাকতবোৰে যিখিনি কৰিছে সেইখিনি যথেষ্ট নহয় যেন লাগিছে।

সঁচা কথা ক'বলৈ হ'লে হাজৰিকাদেৱক আমি বেছিভাগ সময় দেখাহে পাইছিলোঁ— দূৰে দূৰে, কেতিয়াবা ওচৰৰ পৰা। সান্নিধ্য লাভৰ সুযোগ কমেই পাইছিলোঁ। যিখিনি সময় পাইছিলোঁ, সেইখিনি সময়তে তেওঁ আমাৰ মনত এটা স্পষ্ট ছাপ বহুৱাই থৈ গৈছে। সেই ছাপ বা ছবিৰ মানুহজনৰ কায়িক বৰ্ণনা ইতিমধ্যে দিয়া হৈছেই। কিন্তু তেওঁৰ বিৰল ব্যক্তিত্বৰ ছবিখন আমি এতিয়াও স্পষ্টকৈ আঁকিবলৈ সমৰ্থ হোৱা নাই। কেতিয়াবা এনেকুৱা লাগে— তেওঁ যেন খুব কঠোৰ, অসহিষ্ণু আৰু নীতিবাগীশ। পিছ মুহূৰ্ততে ভাবোঁ, নহয়— আমাৰ ভুল হৈছে। অতি কোমল অন্তৰৰ, সহনশীল আৰু বাস্তৱজ্ঞানসম্পন্ন এই ব্যক্তিগৰাকীৰ বিষয়ে ওলোটাকৈ ভবাটো আমাৰ ভুল হৈছে। আজি তেওঁক চকুৰ আগত নেদেখি, আমাৰ যে সঁচাকৈয়ে ভুল হৈছে সেই কথা হৃদয়েৰে উপলব্ধি কৰিছোঁ।

তথাপি হাজৰিকাদেৱক জনাৰ, বুজাৰ আৰু তেওঁৰ অমূল্য পৰামৰ্শ লাভ কৰাৰ বিৰল সুযোগ আমি পাইছিলোঁ শেহতীয়াকৈ গুৱাহাটীৰ টাইম্‌ছ পাব্লিকেশ্বনৰ দ্বাৰা প্ৰস্তাৱিত (এতিয়ালৈকে পাঁচটা সংখ্যা প্ৰকাশিত) মাহেকীয়া সাহিত্য আলোচনী 'প্ৰান্তশ্ৰী'ৰ সম্পাদনাৰ দায়িত্ব অকস্মাৎ আমাৰ গাত ন্যস্ত হোৱাত দিহা-পৰামৰ্শ বিচাৰি আমি কেইবাদিনো তেওঁক লগ ধৰিছিলোঁ। হাজৰিকাদেৱ 'প্ৰান্তশ্ৰী'ৰ জন্মলগ্নৰে পৰা জড়িত উপদেষ্টা মণ্ডলীৰ এগৰাকী অন্যতম সদস্য আছিল। তেওঁ আমাক কৈছিল, "অসমীয়া জাতি আৰু ভাষাৰ মৌকোঁহ লুকাই আছে অসমৰ বিভিন্ন জাতি-জনজাতিৰ মাজত, ন-অসমীয়া পমুৱা আৰু চাহ জনজাতিৰ মাজত। 'প্ৰান্তশ্ৰী'য়ে এই সুদীৰ্ঘ বিশাল পৰিক্ৰমা সম্পূৰ্ণ কৰিব লাগিব।"

মনত পৰিলে দুখ লাগে, গুৱাহাটীৰ পদপথত সেই দ্ৰুতবেগী, দৃঢ় আৰু মনস্বী ব্যক্তিগৰাকীক আৰু আমি দুনাই দেখা নাপাম। মৃত্যুৰ সৈতে মিতিৰালি পতাৰ বাহিৰে, 'মৰণৰে তুহু মম শ্যাম সমান' বুলি বন্দনা কৰাৰ বাহিৰে আমাৰ কোনো গত্যন্তৰ নাই। হাজৰিকাদেৱৰ বগা সাজযোৰেই আছিল তেওঁৰ ব্যক্তিত্বৰ প্ৰকাশক— নিকা, নিষ্কলুষ, চালে চকু ৰৈ যোৱা।

তেওঁৰ পুণ্যাত্মাৰ সদগতি হওক, অসমৰ সাংবাদিকতাই সন্মুখৰ বন্ধুৰ পথ অতিক্ৰম কৰিবলৈ সাহস আৰু মনোবল গোটাওক হাজৰিকাদেৱৰ আদৰ্শৰ সোণসেৰীয়া স্মৃতিৰ বন্তিগছি সন্মুখত লৈ। ◆

[লেখক শ্ৰীগোস্বামী গল্পকাৰ, সাংবাদিক আৰু প্ৰান্তশ্ৰী আলোচনীৰ সম্পাদক]